بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## হজৰত মছীহ মাওউদ (আঃ)ৰ মহত্বপূৰ্ণ বাণীৰ আধাৰত কোৰআন কৰিমৰ ফজিলত,জ্ঞান, মৰ্যদা আৰু মহত্ব সম্পৰ্কে বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১০ মাৰ্চ ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে বৰ্তমানে চলি থকা জুমাৰ খোতবা বিলাকত কোৰআন কৰিমৰ সৌন্দৰ্য্য আৰু গুণাৱলী সম্পৰ্কে বৰ্ণনা চলি আছে। হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰাণ কৰিমৰ সৌন্দৰ্য্য আৰু গুণাৱলী বৰ্ণনা কৰোঁতে কৈছে যে মই সঁচাকৈ কৈছো যে কোৰআন চৰিফ এনেকুৱা স্বয়ং সম্পূৰ্ণ আৰু সুসংগঠিত কিতাপ যে অইন কোনো কিতাপেই ইয়াৰ সমকক্ষ বুলি তুলনা কৰিব নোৱাৰে। তেখেত (আঃ)য়ে তাৰে এটা উদাহৰণ দি কৈছে যে বেদ গ্ৰন্থত এনেকুৱা কোনো পংক্তি আছেনে যে যিয়ে “হুদাল্লিল মুত্তাকিন” বাক্যখিনিৰ লগত ফেৰ মাৰিব পাৰে ? যদি মূখেৰে স্বীকাৰ কৰাৰ কোনো মূল্য নাই অৰ্থাৎ ইয়াৰ পৰা উলিওৱা ফল আৰু ফলাফলৰ কোনো প্ৰয়োজন নাই তেন্তে গোটেই বিশ্বই কোনো নহয় কোনো প্ৰকাৰে খোদা তা’লাক স্বীকাৰ কৰি আছে,ভক্তি ইবাদত, উপাসনা আৰু দান বৰঙণি আদি ভাল বুলিয়ে ভাৱি আছে আৰু কোনো নহয় কোনো প্ৰকাৰে এইবোৰ পালন কৰি আছে। ইয়াৰ ওপৰি বেদ গ্ৰন্থই কিনো মানৱক প্ৰদান কৰিছে ? নাইবা এয়া প্ৰমাণ কৰি দিয়া যে যি সম্প্ৰদায়ে বেদ গ্ৰন্থ নামানে তেওঁলোকৰ পৰা নেকি বিলুপ্তি হৈ গৈছে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ চৰিফ যেতিয়াৰে পৰা আৰম্ভ কৰা হৈছে, সেইবোৰ উন্নতিৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে, যিবোৰ সুস্থ প্ৰজ্ঞাবান ৰূহে আশা কৰে। সেয়ে ছুৰা ফাতিহাত “ইহদিনাছ ছিৰাতাল মুছতাকিম”ৰ শিক্ষা দিছে আৰু কৈছে যে তোমালোকে দোৱা কৰা যে হে আল্লাহ ! আমাক সজ বাটলৈ বুলি হিদায়ত প্ৰদান কৰা। ইয়াতে হিদায়ত দিয়াৰ দোৱা কৰিছে যদি প্ৰতিশ্ৰুতিবদ্ধও হৈছে যে মই সজ বাটেৰে খোজ পেলাম, যিটো সেই সকল লোকে চলা বাট যি সকলৰ ওপৰত তোমাৰ পুৰস্কাৰ অৱধাৰিত হৈছে। এই

দোৱাৰ সৈতে ছুৰাতুল বাকাৰাত প্ৰথম আয়াতত সুসংবাদ প্ৰদান কৰিছে যে “জালিকাল কিতাবু লা ৰায়বা ফিহি হুদাল্লিল মুত্তাকিন” যদি হিদায়ত পাবলৈ দোৱা শিকাইছে তেন্তে ইয়াক অৰ্জন কৰিবলৈ এটা লায়হে আমলও প্ৰদান কৰিছে আৰু তাৰ ওপৰত আমল কৰিলে মুত্তাকী সকলে হিদায়ত লাভ কৰিব। যেনিবা ৰূহে দোৱা কৰাৰ লগে লগে কবুলিয়ত হোৱাৰ দৰে পূৰ্ণ হয়। এয়া খোদা তা'লাৰ অশেষ কৃপা কিন্তু পৰিতাপৰ বিষয় হ'ল এয়া যে মানুহে সেইফালে মনোযোগ নিদিয়ে আৰু তাৰ পৰা দূৰত থাকি ধ্বংসৰ কৱলত পতিত হৈ থাকে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে মই আকৌ কৈছো খোদা তা'লা কোৰআন মজিদত মুত্তাকী সকলৰ যি বৈশিষ্ট হোৱাটো বৰ্ণনা কৰিছে সেয়া অতি সাধাৰণ গুণ হিচাপে নিৰ্ধাৰণ কৰি দিছে। কিন্তু মানুহে যেতিয়া সেইবোৰৰ ওপৰত ঈমান স্থাপন কৰি নিজৰ হিদায়তৰ নিমিত্তে নিয়মিত আমল কৰে তেতিয়া হিদায়তৰ সেই উচ্চ মাৰ্গ আৰু মৰ্যাদাৰ অধিকাৰী যি “হুদাল্লিল মুত্তাকীন” শব্দত নিহিত ৰাখিছে। আকৌ কৈছে যে কোৰআন কৰিমৰ শিক্ষা এটা সম্পূৰ্ণ (কামিল) শিক্ষা। যুগৰ প্ৰয়োজনৰ তাগিদা আঁহজৰত (ছাঃ)ৰ আগমনৰ আন এটা প্ৰমাণ (দলিল) আৰু ইয়াৰ অন্ত “আলইয়াওমা আকমালতু লাকুম” ত উল্লেখ কৰিছে। যিয়েই নহওঁক সেই সময়ত চলি থকা যুগৰ পৰিৱেশ পৰিস্থিতিয়ে আঁহজৰত (ছাঃ)ৰ আগমনৰ প্ৰমাণ দিছিল। কৈছে যে এই অধ্যায় নবুয়তৰ দ্বিতীয় অংশ।

কামালিয়ত এয়া নহয় যে ছুৰা নাযিল কৰিছে বৰং মানৱৰ প্ৰবৃত্তি আৰু প্ৰাণ সুগঠিত কৰি এক পৱিত্ৰ হৃদয় সম্পূৰ্ণ কৰি দিছে। পশু চৰিত্ৰৰ মানুহক, বিবেকবান,চৰিত্ৰবান আৰু খোদা ভক্ত মানুহলৈ গঢ় দিছে। মানুহক নমনীয় আদৰ্শৰ আৰু পাক প্ৰবৃত্তিৰ উত্তম পথ আৰু পাঠ শিকাইছে আৰু সেয়া চৰম সীমাত অৱস্থান কৰোৱাইছে। এনেদৰে কিতাবুল্লাকও সম্পূৰ্ণ কৰিছে। কোনো ধৰণৰ সত্যতা আৰু কল্যাণ এনেকুৱা নাই যে সেয়া কোৰআন কৰিমত নাই।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে বেছি ভাগ মুছলমান সকলৰ মাজত এই ভুলটো সক্ৰিয় হৈ আছে যে তেওঁলোকে হাদীছক কোৰআন চৰিফতকৈ বেছি প্ৰাধান্য দিয়ে। কিন্তু এয়া সিহঁতৰ ভুল কাৰ্য্য। কোৰআন চৰিফে নিজকে বিশ্বাস স্থাপন কৰোৱাৰ যোগ্যতা ৰাখে আৰু হাদীছৰ মৰ্যদা ধাৰণামূলক। হাদীছ কোনো বিচাৰক নহয় বৰং কোৰআন হাদীছৰ ওপৰত বিচাৰকৰ ভূমিকা পালন কৰে। কোনো বিষয়ে সিদ্ধান্ত লোৱাটো কোৰআন কৰিমৰ কাম আনহাতে হাদীছ হ'ল কোৰআন কৰিমৰ ব্যাখ্যা স্বৰূপ। হাদীছ সেই সীমালৈকে মানি লোৱাটো প্ৰয়োজন যিমানখিনিতে গৈ কোৰআন চৰিফৰ বিপৰীত নহয় আৰু কোৰআন চৰিফৰ সমৰ্থক হয়। কিন্তু যদি কোনো হাদীছ কোৰআনৰ বিৰুদ্ধে যায় তেন্তে সেয়া হাদীছ নহয়, বৰং সেয়া বাতিল বাক্যাৱলী। কিন্তু কোৰআন চৰিফ বুজি পাবলৈ হাদীছৰ প্ৰয়োজন আছে। কোৰআন চৰিফত যিবোৰ ঐশ্বৰিক বাণী অৱতীৰ্ণ হৈছে, আঁহজৰত (ছাঃ)য়ে সেইবোৰ হাতে কামে কৰি দেখুৱাইছে আৰু এটা দৃষ্টান্ত স্থাপন কৰি গৈছে। যদি এইবোৰ দৃষ্টান্ত নেথাকিলেহেঁতেন তেন্তে ইছলাম বুজি পোৱা নগ'লহেঁতেন। কিন্তু ইয়াৰ মূল আধাৰ হ'ল কোৰআন। কিছুমান ইলহাম প্ৰাপ্ত সকলে আঁহজৰত (ছাঃ)ৰ পৰা পোনে পোনে এনেকুৱা হাদীছ শুনিবলৈ পায় যিবোৰ বেলেগে নাজানে অথবা লিপিবদ্ধ হাদীছৰ সত্যায়ন কৰি লয়। হজৰত মছীহ মাওউদ (আঃ)য়ে নিজৰ বিষয়ে লিখিছে যে মইয়ো কিছুমান হাদীছ পোনে পোনে (ইলহামৰ মাজেৰে) আঁহজৰত (ছাঃ)ৰ পৰা শুনিবলৈ পাইছো।

হজৰত মছীহ মাওউদ (আঃ)য়ে কোৰআনৰ অৰ্থ মূলভাৱ সম্পৰ্কে কৈছে যে কোৰআন চৰিফৰ বৰ্ণনাত ইমানেই সহজ ব্যাখ্যা আৰু ছন্দ মালা আৰু মধুৰ আৰু কোমল বাণী আৰু সৌন্দৰ্য্য লিপি স্থাপিত কৰিছে যে যদি কোনো সমালোচকক আৰু ইছলাম বিৰোধীক যিয়ে আৰবীত পাণ্ডিত্য লাভ কৰিছে তাক কোনো শাসকৰ ফালৰ

পৰা এয়া আদেশ দিয়া হয় যে যদি তুমি বিশ বছৰৰ ভিতৰত কোৰআন কৰিমৰ দুই চাৰিটা শাৰীৰ তুলনা দিব পৰা কোনো বিষয় লিখি দেখুৱাব নোৱাৰা তেন্তে তোমাক মৃত্যুদণ্ড দিয়া হ'ব, তথাপি সি এই বিষয়ে সক্ষম হ'ব নোৱাৰে। এয়াই হ'ল কোৰআন কৰিমৰ ৰচনাৱলীৰ কামালিয়ত। তেখেত (আঃ)য়ে কৈছে যে এয়া কোনো ধাৰণামূলক আৰু চেলংপতীয়া কথা নহয়, বৰং যেতিয়াৰ পৰা কোৰআন অৱতীৰ্ণ হৈছে এই চ্যালেঞ্জ জগতত ৰাখি থৈছে। হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে বৰ্ণনাৰ মধুৰতা আৰু সম্পূৰ্ণতাত কোৰআনৰ প্ৰতিদ্বন্দ্বিতা কৰা সম্ভৱ নহয়।

আকৌ কোৰআন  কৰিমৰ বাণী মধুৰতা আৰু সৌন্দৰ্য্য সম্পৰ্কে বৰ্ণনা কৰোঁতে এখন বৈঠকত তেখেত (আঃ)য়ে কৈছে যে যেনেদৰে নিদৰ্শন আৰু আয়াত কোৰআন কৰিমত প্ৰকাশ পাই আছে, এইবোৰ দৰাচলতে ৰছুলুল্লাহ (ছাঃ)ৰ কিৰামত আৰু মজিজা হয়। এই সকলোবোৰ ভৱিষ্যদ্বাণী কোৰআনৰেই ভৱিষ্যদ্বাণী হয় কাৰণ তেখেত (ছাঃ)ৰ আনুগত্য আৰু কোৰআন চৰিফৰ শিক্ষাৰ ফলাফল হয়। বৰ্তমানে অইন কোনো ধৰ্ম এনেকুৱা নাই যে যাৰ অনুসাৰী সকলে এয়া দাবী কৰিব পাৰে যে তেওঁলোকেও ভৱিষ্যদ্বাণী কৰিব পাৰে বা তাৰ পৰা মজিজা প্ৰকাশ পায়। গতিকে এই ফালৰ পৰা কোৰআন চৰিফৰ অলৌকিকতা সকলো কিতাপৰ গৌৰৱতকৈ আগবঢ়া।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰাণ চৰিফৰ আটাইতকৈ সৰু ছুৰাটোৰ ওপৰত গমি চালে অনুমান হয় যে ইয়াৰ ৰচনা শৈলী আৰু সম্পূৰ্ণতা স্থাপিত হোৱাৰ ওপৰিও শিক্ষাৰ নিজববীয়া বৈশিষ্ট এটা সংলগ্ন কৰি দিয়া হৈছে। ছুৰা ইখলাচতে চোৱা যে তৌহিদৰ সম্পূৰ্ণ মূলভাৱ বৰ্ণনা কৰি দিছে আৰু সকলো ধৰণৰ অংশীবাদীতা বাতিল সাব্যস্ত কৰিছে। এনেদৰে ছুৰা ফাতিহাই লক্ষ্য কৰা কেনেদৰে (কিৰামত) ৰহস্যপূৰ্ণ ক্ষমতাৰ বৰ্ণনা কৰিছে। অতি সৰু এটা ছুৰা যাৰ মাত্ৰ সাতোটা আয়াত অথচ তাতে গোটেই কোৰাণৰ কৌশল,মূলভাৱ আৰু সূচীপত্ৰ সামৰি লৈছে। ইয়াৰ লগতে ইয়াতে খোদা তা'লাৰ সত্তা আৰু তাৰ গুণাৱলী,দোৱাৰ প্ৰয়োজনীয়তা  আৰু ইয়াৰ কবুলিয়তৰ উপায়, লাভদায়ক দোৱাৰ পদ্ধতি,ক্ষতি সাধন হোৱাৰ পৰা ৰক্ষা পোৱাৰ হিদায়ত শিকাইছে। বেছি ভাগ গ্ৰন্থ আৰু ধৰ্মৰ অনুসাৰী সকলক চোৱা তেওঁলোকে বেলেগ ধৰ্মৰ সমালোচনা কৰে আৰু বেলেগ শিক্ষাৰ ওপৰতও সমালোচনা কৰে। কিন্তু সমালোচনা কৰি তেওঁলোকে ইয়াৰ তুলনাত কোনো ধৰণৰ উত্তম শিক্ষাৰ প্ৰয়োজন কৰি দেখুৱাই দিয়ক যে তেওঁলোকে অমুক বেয়া বিষয়টোৰ পৰা ৰক্ষা কৰিব বিচাৰিছে কোনো ধৰ্মত নাই। যিয়েই নহওঁক এই গুণ কেৱল মাত্ৰ কোৰআন কৰিমৰেই আছে, যিয়ে বেলেগ বাতিল ধৰ্ম বিলাক ত্যাগ কৰিবলৈ শিকায় আৰু সেইবোৰৰ ভুল শিক্ষাবোৰ দাঙি ধৰে লগতে আচল আৰু প্ৰকৃত শিক্ষাও আগবঢ়াই দিয়ে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কিছুমান নিৰ্বোধ লোকে কয় যে আমি কোৰআন চৰিফ বুজি নাপওঁ সেয়ে তালৈ মনোযোগ নিদিওঁ বা দিয়া উচিত নহয় কাৰণ এয়া বৰ কঠিন। এই কথাবোৰ সিহঁতৰ ভুল কথা। কোৰআন কৰিমে ঈমান সম্পৰ্কে থকা মছায়েলবোৰ ইমান সহজ সৰল ভাৱে ব্যাখ্যা কৰিছে যে যাৰ কোনো তুলনামূলক উদাহৰণ নাই আৰু ইয়াৰ প্ৰমাণ আদিয়ে হৃদয় স্পৰ্শ কৰি যায়। কোৰআন এনেকুৱা স্বয়ং সম্পূৰ্ণ আৰু সহজ কিতাপ যে আৰবৰ অজ্ঞ গাঁৱলীয়া লোক যি সকলে লিখা-পঢ়া নেজানিছিল। তেওঁলোকেও বুজি পাইছিল। তেন্তে এতিয়া কিয় বুজি নাপাব। পোন, সঁচা আৰু সৰল জ্ঞানৰ ধাৰা কোৰআন কৰিমত বৰ্ণিত আছে। এটা পোন আৰু সজ বাট যি খোদা তা'লাই আমাক শিকাইছে। মানুহে কোৰআন চৰিফ মনোযোগেৰে অধ্যয়ন কৰা উচিত। ইয়াৰ আদেশ আৰু নিষেধ ভালদৰে চাইমেলি আমল কৰক। তেতিয়াহে নিজৰ খোদা তা'লা সন্তুষ্টি হ'ব।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে কোৰআন কৰিমে প্ৰকৃত খোদা তা'লাক চিহ্নিত কৰে। খোদা তা'লাৰ অশেষ কৰুণা এয়া যে কোৰআন চৰিফে তেনেকুৱা খোদা দেখুৱাই দিয়ে যিয়ে অক্ষম গুণাৱলীৰ গৰাকী হয়

যে না সি কাৰোবাৰ তওবা কবুল কৰিব পাৰে বৰং আমি কোৰআন চৰিফৰ জৰিয়তে সেই খোদাৰ বান্দা হওঁ যিয়ে আমাৰ সৃষ্টি কৰ্তা আৰু মালিক হয়। ৰিজিক দাতা, ৰহমান আৰু ৰহিম হয়। শেষ দিনৰ গৰাকী হয়। মোমিন সকলৰ নিমিত্তে শলাগৰ পাত্ৰ হয় যে সি আমাক এনেকুৱা কিতাপ দান কৰিছে যিয়ে তাৰ শুদ্ধ গুণাৱলীক প্ৰকাশ কৰে। এয়া খোদা তা'লাৰ এটা বৰ ডাঙৰ নিয়ামত হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে হজৰত মছীহ মাওউদ (আঃ)ৰ আৰু মাৰিফত আৰু কোৰআন কৰিমৰ বিশিষ্ট আৰু স্থান আৰু মৰ্যাদা সম্পৰ্কে ইনশা আল্লাহ আগলৈ বৰ্ণনা কৰা হ'ব। আল্লাহ তা'লা আমাক এইবোৰ কথা বুজাৰ আৰু আমল কৰাৰ আৰু কোৰাণ চৰিফ অধ্যয়ন কৰাৰ আৰু বুজি পোৱাৰ তৌফিক দান কৰক।

হুজুৰ আনোৱাৰ (আইঃ)য়ে বাংলাদেশত অনুষ্ঠিত হৈ যোৱা বাৎসৰিক জলছাৰ সময়ত উগ্ৰবাদী মোল্লা সকলৰ আক্ৰমণ সম্পৰ্কে বৰ্ণনা কৰোঁতে কয় যে বাংলাদেশৰ পুলিচ, প্ৰশাসনৰ ফালৰ পৰা নিৰাপত্তা দিয়াৰ কথাৰ ওপৰত নিৰ্ভৰ কৰি এই জলছা অনুষ্ঠিত কৰা হৈছিল। কিন্তু যেতিয়া দুষ্কৃতকাৰী সকলে আক্ৰমণ চলায় তেতিয়া পুলিচে নিৰ্বিঘ্নে থিয় হৈ দৃশ্য উপভোগ কৰে আৰু যেতিয়া ওপৰৰ কৰ্তা সকলৰ পৰা আদেশ জাৰি হয় তেতিয়াহে ইহঁতৰ গা লৰে। ইতিমধ্যে অত্যাচাৰৰ চৰম সীমা পাইছিল গৈ। ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে উক্ত আক্ৰমণত শ্বাহাদত বৰণ কৰা মকৰম জাহিদ হুছেন চাহাবৰ শ্বাহাদত সম্পৰ্কে উল্লেখ কৰে আৰু কয় যে আল্লাহ তা'লা উৎপীড়ন কাৰী সকলৰ বাবে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰক আৰু আমাৰ ওপৰত কৃপা আৰু দয়া বৰ্ষণ কৰক।

দোৱাৰ ফালে মনোযোগ আকৰ্ষণ কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে জামাতৰ সদস্যবৃন্দক কয় যে বৰ্তমানে দোৱাৰ ওপৰত বেছি বেছি জোৰ দিয়ক।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে মকৰম কামাল বাদাহ চাহাব (আলজেৰিয়া),ডাক্তৰ শামিম আহমদ মালিকা চাহিবা অফ কানাডা, মকৰম ফৰহাদ আহমদ আমিনি চাহাব (জাৰ্মানী) আৰু মকৰম চৌধুৰী জাৰেদ আহমদ বিছমল চাহাব (কানাডা)ৰ মৃত্যুত তেওঁলোকৰ আত্মাৰ সদগতি কামনা কৰি নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 10 MARCH 2023**

## BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................

.......................................................................................................

.......................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844